# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰাজ্যজুৰি স্বাস্থ্যসেৱা সুলভ আৰু ইয়াৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে অসম মন্ত্রীসভাত গ্রহণ কৰা সিদ্ধান্ত অনুসৰি আজি ৰাজ্যৰ বিভিন্ন প্রান্তত জিলা স্বাস্থ্য সমিতিসমূহৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়।

মুখ্যমন্ত্রী ডº হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিশ্বনাথত ওদালগুৰি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি আম্বাগাঁও বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। জিলা আয়ুক্ত পুলক পাটগিৰিয়ে শিবিৰটো উদ্বোধন কৰে। জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উদ্দেশ্যে আয়োজিত এই স্বাস্থ্য মেলাত প্রসূতি, মেডিচিন, চকু, হাড়, শিশুৰোগ, মানসিক স্বাস্থ্যকে ধৰি বিভিন্ন দিশত বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰোৱা হয়। ১৫ গৰাকী চিকিৎসকে এই শিবিৰত চিকিৎসা সেৱা আগবঢ়ায়।

স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰা তথা জনসাধাৰণৰ বাবে গুণগত চিকিৎসা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ অন্যান্য জিলাতো শিবিৰসমূহ মুকলি কৰা হয়। কৃষিমন্ত্রী অতুল বৰাই আজি বোকাখাত গাঁও পঞ্চায়তৰ বোকাখাত হাইস্কুলত আয়োজিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্রীগৰাকীয়ে এই শিবিৰ মুকলি কৰি গ্রামাঞ্চল, বিশেষকৈ আওহতীয়া অঞ্চলসমূহত স্বাস্থ্য সেৱা সুচল কৰি তোলাৰ ক্ষেত্রত এই পদক্ষেপে বিশেষ ভূমিকা পালন কৰিব বুলি মন্তব্য কৰে। এই শিবিৰসমূহে স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে জনসাধাৰণক সজাগ কৰিব বুলিও তেওঁ আশা প্রকাশ কৰে।

চৰাইদেউ জিলাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত আজি জিলাখনৰ মাহমৰা দিপলিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা পৰ্যায়ৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ মুকলি কৰা হয়। ৰাজ্য চৰকাৰৰ পৰিবহণ, পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্রী যোগেন মহনে আজি শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। জিলাখনৰ ৪০টা স্থানত পৰ্যায়ক্রমে এই শিবিৰ মুকলি কৰা হ'ব। শিবিৰসমূহত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়াব। আজি শিবিৰ মুকলি কৰি মন্ত্রী যোগেন মহনে এইদৰে কয় – ............... **-বাইট-**

ধেমাজি জিলাতো আজি স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ উদ্বোধন কৰা হয়। জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়ত আৰু দুখন পৌৰসভাক সামৰি পৰ্যায়ক্রমে ১৭ জুলাই পৰ্যন্ত এই স্বাস্থ্যমেলা মুকলি থাকিব। ১৪ জন বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়াবলগীয়া শিবিৰত কেইবাটাও ৰোগৰ পৰীক্ষা আৰু পুষ্টি সম্পৰ্কীয় পৰামৰ্শ দিয়া হ'ব। জিলাখনৰ সমজিলা জোনাইতো আজি স্বাস্থ্যমেলা অনুষ্ঠিত হয়। নগাঁও জিলাৰ বুঢ়াগোহাঁই থান খণ্ড প্রাথমিক স্বাস্থ্যকেন্দ্রৰ অন্তৰ্গত ৰায়দঙীয়া ৰাজহুৱা মঞ্চত আজি বিধায়ক ৰূপক শৰ্মাই জিলা পৰ্যায়ৰ স্বাস্থ্য শিবিৰ মুকলি কৰে। এই শিবিৰত প্রায় ৩০০ জন লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। গোলাঘাট স্বাস্থ্য

বিভাগৰ উদ্যোগত গাঁও পঞ্চায়ত স্তৰত আজি স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। আজি জিলাখনত এহেজাৰ ১৬৭ জন লোকক স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা সেৱা প্ৰদান কৰা হয়।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহিলা উদ্যমিতা আঁচনিৰ উদ্বোধন কৰে। বিহালী সমষ্টিত এই আঁচনিৰ অধীনত সমষ্টিটোৰ প্ৰায় ২৩ হাজাৰ  গৰাকী মহিলাক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ জৰিয়তে ৰাজ্যৰ ৩০ লাখ মহিলা উপকৃত হ'ব বুলি জানিবলৈ দিয়ে। প্ৰাৰম্ভিক মূলধনৰ সদ্ব্যৱহাৰ কৰা মহিলাক অহা বছৰ ২৫ হাজাৰ টকা প্ৰদান কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আজি ঘোষণা কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৫০ হাজাৰ টকাৰ অৰ্থ সাহায্য উদ্যমিতা আঁচনিৰ অধীনত মহিলাসকললৈ আগবঢ়োৱা হ'ব। ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে অসমত ক্ষুদ্ৰ উদ্যোগীসকলক অনুপ্ৰেৰণা যোগোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। প্ৰতি কুইণ্টল ধান দুহেজাৰ ৫৫০ টকা আৰু প্ৰতি কুইণ্টল সৰিয়হ ছহেজাৰ ৪৫০ টকা মূল্যত ক্ৰয় কৰা হ'ব বুলিও ডং শৰ্মাই জানিবলৈ দিয়ে। ছেপ্তেম্বৰত আৰু ৬ লাখ ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া দুখীয়া পৰিয়ালৰ শিক্ষাৰ্থীৰ একাউণ্টত ছমাহৰ বাবে মাহিলী ৩০০ টকাকৈ টিউশ্যনৰ বাবদ দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে। ................ **-ৰাইট-**

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ডং শৰ্মাই জিলাখনৰ পাভৈত এখন স্বাস্থ্যমেলা উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰটো শুভাৰম্ভ কৰি ডং শৰ্মাই ১০ গৰাকী অৱসৰপ্ৰাপ্ত আশাকৰ্মীক এককালীন সাহায্য হিচাপে ২ লাখ টকাৰ চেক প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে আজিৰে পৰা গাঁও পঞ্চায়ত, নগৰীয়া স্থানীয় নিকায়, ভি চি ডি চি সমূহত  স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ডং শৰ্মাই আজি জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আন্তঃক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰে। এক কোটি ৭০ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ স্থাপন কৰিবলগীয়া এই ক্ৰীড়া প্ৰকল্পটোত দুখন বেডমিণ্টন কোৰ্ট, ৪ খন টেবল টেনিছ কোৰ্ট আৰু যোগাভ্যাস, শৰীৰচৰ্চা আৰু কাৰ্যালয়ৰ বাবে এটাকৈ কোঠা উপলব্ধ হ'ব। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বাৰ্তালাপ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ **অসম দৰ্শন** আঁচনিৰ অধীনত আজি মন্ত্ৰী প্ৰশান্ত ফুকনে ডিব্ৰুগড়ৰ কেইবাটাও ধৰ্মীয় স্থানলৈ প্ৰথম কিস্তি হিচাপে ডেৰ লাখ টকাৰ অনুদানৰ চেক বিতৰণ কৰে। ডিব্ৰুগড় বিধানসভা সমষ্টিত ২০৪টা নামঘৰ, মন্দিৰ আৰু থানলৈ ৩ লাখ টকাকৈ এই আঁচনিৰ অনুদান আগবঢ়োৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

সমাপ্ত